# ECHO OF HIS CALL

ASSAMESE

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

**India's National Spiritual Newspaper**

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor: Sis. Bornali Thapa Raj

Vol. XXIII | YEAR OF OUR LORD JESUS CHRIST, JULY 2022 | No. 1


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক!

### গীতমালা ৩০ঃ১-১০

১। হে যিহোৱা মই তোমাৰ প্ৰশংসা কৰো, কিয়নো তুমি মোৰ উন্নতি কৰিলা আৰু মোৰ শত্ৰুবোৰক মোৰ ওপৰত আনন্দ কৰিবলৈ নিদিলা।

২। হে মোৰ ঈশ্বৰ যিহোৱা, মই তোমাৰ আগত কাতৰোক্তি কৰাত তুমি মোক সুস্থ কৰিলা।

৩। হে যিহোৱা, তুমি চিয়োলৰ পৰা মোৰ প্ৰাণ তুলি আনিলা, মোক গাতলৈ যাব নিদি জীয়াই ৰাখিলা।

৪। হে যিহোৱাৰ সাধু লোকবিলাক, তেওঁৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰা, তেওঁৰ পবিত্ৰ নামৰ ধন্যবাদ কৰা।

৫। কিয়নো তেওঁৰ ক্ৰোধ খন্তেকীয়া, তেওঁৰ অনুগ্ৰহ জীৱনৰ গোটেই কাললৈকে, ক্ৰন্দন ৰাতি থাকিব পাৰে, কিন্তু ৰাতি পুৱালে আনন্দ আহে।

৬। মই হ'লে মোৰ সুখৰ অৱস্থাত কৈছিলো, মই কেতিয়াও লৰচৰ নহ'ম।

৭। হে যিহোৱা, তুমি তোমাৰ অনুগ্ৰহৰেই মোৰ পৰ্বত দৃঢ়কৈ স্থাপন কৰিছিলা তুমি মুখ লুকুওৱাত মই ব্যাকুল হৈছিলো।

৮। হে যিহোৱা মই তোমাৰ আগত প্ৰাৰ্থনা কৰিলো, যিহোৱাৰ আগত কাতৰোক্তি কৰি ক'লো

৯। মই গাঁতলৈ নামি গ'লে মোৰ ৰক্তপাতত কি লাভ? ধূলিয়ে জানো তোমাৰ স্তুতি কৰিব?

১০। হে যিহোৱা শুনা, মোক কৃপা কৰা, হে যিহোৱা, মোৰ সহায় হোৱা।

## আপোনাৰ সিদ্ধান্তই আপোনাৰ লক্ষ্যক নিশ্চিত কৰে!

YOUR DECISION DETERMINES YOUR DESTINY!

(কেন্দ্ৰ মণ্ডলীত পালক এচ, চাম ছেলভা ৰাজে দিয়া বাৰ্তা)

**এই পৃথিৱীত প্ৰত্যেক ব্যক্তিয়ে তেওঁৰ জীৱনত উত্তম কাৰ্য হোৱাটো বিচাৰে-আশা নকৰা বা আশা কৰা আশীৰ্বাদ! পদোন্নতি !!**

**কিন্তু প্ৰত্যেকৰ বাবেই ঈশ্বৰৰ পৰা বিশেষ আহবান আছে আৰু তেওঁ আমাৰ প্ৰত্যেককেই বিভিন্ন পথত চলায়। আমাৰ আহ্বান বেলেগ বেলেগ হ'ব পাৰে কিন্তু যদি আমি সঠিক সময়ত সিদ্ধান্ত লওঁ আমাৰ লক্ষ্যত উপনীত হ'ব পাৰো। যেতিয়া আমি বহুত মানুহৰ বিষয়ে অধ্যয়ন কৰো তেতিয়া এই সত্যতা প্ৰকাশ হয়। আহক আমি এলিয়া, ইলীচা, ইলীচাৰ দাস গেহজীৰ বিষয়ে অধ্যয়ন কৰোহঁক, এইসকল একে সময়ৰ লোক।**

### এলিয়া ভাববাদী

এলিয়া ৯১০-৮৯৬ খৃঃ পূৰ্বৰ মাজভাগত বসবাস কৰিছিল। এলিয়া এজন তিচবীয়া লোক আছিল আৰু গিলিয়দবাসী আছিল। তেওঁ এজন পূৰ্বৰ পৰাই মনোনীত ভাববাদী আছিল আৰু তেওঁক ঈশ্বৰে আহ্বান কৰিছিল, বাইবেলত তেওঁৰ জন্ম আৰু পৰিয়ালৰ বিষয়ে পোৱা নাযায়।

'এলিয়া' নামৰ অৰ্থ হৈছে "যিহোৱা মোৰ ঈশ্বৰ"। যেতিয়া আমি এলিয়াৰ গোটেই জীৱনটো চাওঁ আমি লক্ষ্য কৰোঁ যে ঈশ্বৰেই তেওঁক আহ্বান কৰিছিল আৰু শেষত ঈশ্বৰেই তেওঁক স্বৰ্গলৈ তুলি নিলে। তেওঁ মৃত্যুৰ মুখ দেখা নাছিল। তেওঁক কবৰ দিয়া হোৱা নাছিল। তেওঁ এজন সৈন্যাসীৰ দৰে জীৱন-যাপন কৰি জন্তুৰ নোমেৰে তৈয়াৰ কৰা বস্ত্ৰ পিন্ধিছিল আৰু তেওঁ কঁকালত টঙালি বান্ধিছিল।

হাবিত বসবাস কৰা এই লোকজনক পবিত্ৰ জীৱন-যাপন কৰা ঈশ্বৰে দেখিলে আৰু ঈশ্বৰে তেওঁৰ মহান পৰিকল্পনাক চলাই নিবলৈ ইলিয়াক মনোনীত কৰিলে। ঈশ্বৰে মানুহৰ শিক্ষাগত অৰ্হতা বা তেওঁৰ আৰ্থিক অৱস্থা বা পৰিয়ালৰ পটভূমিক চাই মনোনীত নকৰে। এলিয়াৰ এইটো গুণ আছিল যে তেওঁ সদায় ঈশ্বৰৰ স্বৰ শুনাত প্ৰস্তুত হৈ আছিল আৰু ঈশ্বৰে তেওঁক ভাববাদী পাতিলে, "তেওঁৰ আগেয়ে যিবিলাক আছিল, সেই সকলোতকৈয়ো অগ্ৰীৰ

৩ পৃষ্ঠাত চাওঁক

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

(ECHO GROUP)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

"যিহোৱা কৃপাময় আৰু দয়াৰে পৰিপূৰ্ণ,
ক্ৰোধত ধীৰ আৰু দয়াত মহান"
গীতমালা ১৪৫ঃ৮



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


CHIEF EDITOR
Angeline Selvakumari Henry, M.A., M.Ed.

MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.

ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager

EDITORIAL BOARD
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M.Phil., B.Ed.

EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

E.mail ID
sam@echoofhiscall.org
biblecor@yahoo.co.in

WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com

YOUTUBE CHANNEL
Echo of His Call


প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা, যীচুখ্ৰীষ্টৰ আশীৰ্বাদপ্ৰাপ্ত নামত শুভেচ্ছা জনাইছো।

আমাৰ বিভিন্ন পৰিচৰ্য্যাসমূহ আৰু দাসসকলোলৈ আপোনালোকৰ প্ৰেম আৰু সহায়ৰ বাবে আপোনালোকৰ ওচৰত আমি কৃতজ্ঞ। আপোনালোকৰ সহানুভূতিৰ দ্বাৰাই আমি অতিকৈ উৎসাহী হৈছো। ঈশ্বৰে আপোনালোকক আশীৰ্বাদ কৰক।

আমাৰ নহিমিয়া বাইবেল কলেজৰ সভাপতি পালক, এম, মাথুৰ স্বাস্থ্যৰ উন্নতি হৈছে। তেওঁৰ বাবে প্ৰাৰ্থনা কৰি থকা আমাৰ সকলো বন্ধুসকলক ধন্যবাদ জনাইছো। অনুগ্ৰহ কৰি একেৰাহে প্ৰাৰ্থনা কৰক।

আপোনালোকে জানে যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনীসমূহ, হিন্দী, উৰিয়া আৰু তামিল ভাষাত থকা নহিমিয়া বাইবেল কলেজ, চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল আৰু মণ্ডলীসমূহ আৰু ইত্যাদিৰ প্ৰচাৰমূলক কাৰ্য্যকলাপত আমি অত্যন্ত ব্যস্ত হৈ আছো। আমাৰ সকলো কাৰ্য্যকলাপ আৰু চেন্নাই চহৰৰ বাহিৰে-ভিতৰে আমাৰ যাত্ৰাত ঈশ্বৰে আশীৰ্বাদ কৰি আছে, গৰাহৰ পৰা ৰাজগৃহলৈ অধীনত থকা আমাৰ বাৰ্তাবিলাক পৰৱৰ্তী সংখ্যাত আৰু লিখিম কিয়নো আমি এই সময়ত বহুত ব্যস্ত হৈ আছো।

আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীৰ জ্যেষ্ঠ সহকাৰী সম্পাদক আমাৰ প্ৰিয় ভাই মানুৱেল এম. পৌলৰাজ যোৱা ২৫ মে' ২০২২ ত স্বৰ্গীয় হ'ল। অনুগ্ৰহ কৰি আপোনাৰ ব্যক্তিগত প্ৰাৰ্থনাত তেওঁৰ পৰিয়ালবৰ্গক সোঁৱৰণ কৰিব। তেওঁ ৰোগত ভুগি থকাৰ সময়ত আপোনাৰ প্ৰাৰ্থনাৰ বাবে ধন্যবাদ জনাইছো।

ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই যোৱা ৩ জুন, ২০২২ ত আমাৰ নহিমিয়া বাইবেল কলেজৰ উপাধিকৰণ সভা পতা হ'ল। ২৩ জন ছাত্ৰ-ছাত্ৰীক উপাধি প্ৰদান কৰা হ'ল আৰু ভাৰতৰ বিভিন্ন প্ৰান্তৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকলৈ আগ্ৰহেৰে যাবলৈ অঙ্গীকৃত কৰা হ'ল।

ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই আমাৰ নহিমিয়া বাইবেল কলেজখন (তামিল ভাষাত সন্ধ্যাৰ পাঠ্যক্ৰম আৰু হিন্দী ভাষাত বাসগৃহৰ পাঠ্যক্ৰম) যোৱা ৬ জনু, ২০২২ ত মুকলি কৰা হ'ল আৰু পাঠদান পূৰ্ণগতিত চলি আছে। ঠিক একেদৰে আমাৰ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলখনো যোৱা ১৩ জুনৰ ২০২২ ত পুনৰ আৰম্ভ কৰা হ'ল। এই অনুষ্ঠানবিলাকৰ কৃতকাৰ্য্যতাৰ বাবে অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক।

এই দিনবিলাকত আমাৰ কৰ্মীসকলৰ পৰিয়ালবৰ্গৰ সদস্য-সদস্যাবিলাকৰ বাবে আপোনালোকৰ প্ৰাৰ্থনা বৃদ্ধি হোৱাৰ বাবে ধন্যবাদ জনাইছো। কিয়নো আমাৰ পৰিয়ালৰ কিছুমানৰ শাৰীৰিকভাৱে ঈশ্বৰৰ স্পৰ্শৰ প্ৰয়োজন আছে। ঈশ্বৰৰ ৰাজ্যৰ বৃদ্ধিৰ বাবে আমাৰ বিভিন্ন ধৰণৰ পৰিচৰ্য্যাবিলাকৰ আৱশ্যকীয় বিষয়বিলাকৰ বাবে প্ৰাৰ্থনা কৰক।

আহিবলগীয়া দিনবিলাকত ঈশ্বৰে আপোনালোকক অতিকৈ আশীৰ্বাদ কৰক।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

পুত্ৰ আহাবে যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিলে আৰু নবাটৰ পুতেক যাৰবিয়ামৰ পাপত চলা তেওঁলৈ ইমান লঘু যেন হ'ল যে তেওঁ চীদোনীয়াবিলাকৰ এৎবাল ৰজাৰ ঈজেবেল নামেৰে জীয়েকক বিয়া কৰিলে আৰু গৈ বালক পূজা কৰিবলৈ আৰু তাৰ আগত প্ৰণিপাত কৰিবলৈ ধৰিলে আৰু তেওঁ চমৰিয়াত নিৰ্মাণ কৰা বালৰ ঘৰত বালৰ নিমিত্তে এটা যজ্ঞ বেদীও স্থাপন কৰিলে" (১ ৰাজাৱলী ১৬ঃ৩০-৩২)। এজন ইস্ৰায়েলৰ ৰজা হোৱা স্বত্বেও স্বৰ্গ আৰু মৰ্ত্যৰ ঈশ্বৰৰ আৰাধনা কৰাৰ পৰিবৰ্তে বাল দেৱতাক আৰাধনা কৰিছিল।

## ১। এলিয়াই কৈছিল যে বৰষুণ নহ'ব আৰু বৰষুণ নহ'লঃ

এলিয়াই আহাব ৰজাৰ ওচৰলৈ ঈশ্বৰৰ এই বাৰ্তা কঢ়িয়াই নি ক'লে "এই কেইবছৰ নিয়ৰ কি বৰষুণ নপৰিব, কেৱল মোৰ বাক্য অনুসাৰেহে পৰিব।" তেওঁ কোৱাৰ দৰে তাত তিনি বছৰ ছয় মাহ বৰষুণ পৰা নাছিল। ৰজাৰ আগত ঈশ্বৰে কোৱা বাক্য ক'বলৈ তেওঁ ভয় কৰা নাছিল।

এলিয়া এজন পবিত্ৰ আৰু ঐশ্বৰিক লোক আছিল। যাৰ বিশ্বাস ঈশ্বৰৰ প্ৰতি বহুত মহান আছিল, তেওঁ এজন সাহসী লোক আছিল আৰু পৰিণামৰ বিষয়ে ভয় কৰা নাছিল।

## ২। তেওঁ এজন বাধ্য ভাববাদী আছিলঃ

ঈশ্বৰে এলিয়াক ক'লে, "তুমি এই ঠাইৰ পৰা প্ৰস্থান কৰা আৰু পূব দিশলৈ গৈ যৰ্দনৰ সন্মুখত থকা কৰীৎ জুৰিৰ কাষত লুকাই থাকাগৈ" (১ ৰাজাৱলী ১৭ঃ৩)। ঈশ্বৰে কোৱাৰ দৰে তেওঁ তালৈ গ'ল। ঈশ্বৰে কোৱাৰ দৰে কাউৰীয়ে তেওঁলৈ ৰাতিপুৱা পিঠা আৰু মঙহ আৰু গধূলিও পিঠা আৰু মঙহ আনি দিছিল। আৰু কিছুকাল দেশতবৰষুণ নোহোৱাৰ নিমিত্তে সেই জুৰিৰ পানী শুকাই গ'ল। পাছে ঈশ্বৰে তেওঁক ক'লে, "তুমি উঠি চীদোনৰ অধীনৰ চাৰিফৎলৈ গৈ তাত এজনী বিধৱা তিৰোতাৰ সৈতে বাস কৰাগৈ। এলিয়াই ঈশ্বৰৰ আজ্ঞা পালন কৰি চাৰিফৎলৈ গৈ সেই বিধৱা তিৰোতাক লগ কৰিলে আৰু তাইৰ পৰা ৰুটি আৰু পানী বিচাৰিলে যদিও তাইৰ পাত্ৰত অলপমান পিঠা আৰু পানী আছিল তাকেই তাই তেওঁক দিলে। পাছে তাই পুনৰ বৰষুণ নোহোৱা পৰ্যন্ত ঈশ্বৰে তাইক আৰু তেওঁক আশীৰ্বাদ কৰিলে। পাছত যেতিয়া তাইৰ ল'ৰাটিৰ মৃত্যু হৈছিল এলিয়াই পুনৰ ল'ৰাটিৰ প্ৰাণ উভতাই আনিলে।

## ৩। তেওঁ এজন সাহসী ভাববাদী আছিল (১ ৰাজাৱলী ১৮ঃ১৮-৩৯)ঃ

তাতে ঈশ্বৰে এলিয়াক আহাবৰ ওচৰত তেওঁক দেখুৱাবলৈ পঠালে, এলিয়াই ৰজাক ক'লে, তুমি গোটেই ইস্ৰায়েলৰ আৰু ইজাবেলৰ মেজত ভোজন কৰোঁতা বালৰ ভাববাদী চাৰিশ পঞ্চাশজনক আৰু আচেৰাৰ ভাববাদী চাৰিশজনক মোৰ ওচৰত কৰ্মিল পৰ্বতত গোটোৱা। এলিয়াই সকলো লোকৰ ওচৰলৈ আহি ক'লে, "কিমান কাললৈ দুই নাওত দুই ভৰি দি থাকিবা? যিহোৱা যদি ঈশ্বৰ হয়, তেন্তে তেওঁৰ পাছত চলা।" তেওঁ আৰু ক'লে "আমাক দুটা ভতৰা দিয়া হওক; তেওঁবিলাকে তেওঁবিলাকৰ নিমিত্তে এটা ভতৰা লওক আৰু তাক ডোখৰ ডোখৰ কৰি কাটি খৰিৰ ওপৰত থওক, কিন্তু তাৰ তলত জুই নিদিয়ক আৰুময়ো আনটো ভতৰা যুগুত কৰি খৰিৰ ওপৰত ৰাখিম আৰু তাৰ তলত জুই নিদিম, পাছে তোমালোকে তোমালোকৰ দেৱতাৰ নামেৰে প্ৰাৰ্থনা কৰিবা আৰু ময়ো যিহোৱাৰ নামেৰে প্ৰাৰ্থনা কৰিম, তাতে যি দেৱতাই অগ্নিৰ দ্বাৰাই উত্তৰ দিব তেৱেঁই ঈশ্বৰ হওক।" তাতে সকলো লোকে উত্তৰ কৰিলে, "এইটো ভাল কথা।" এতিয়া এলিয়াই বালৰ ভাববাদী বিলাকক ক'লে, "প্ৰথমে তোমালোকে তোমালোকৰ নিমিত্তে এটা ভতৰা লৈ তাক যুগুত কৰা, কিয়নো তোমালোক অনেক আছা; পাছে তোমালোকে তোমালোকৰ দেৱতাৰ নামেৰে প্ৰাৰ্থনা কৰিবা, কিন্তু তলত জুই নিদিবা।" তাতে তেওঁলোকক দিয়া ভতৰাটো লৈ তেওঁলোকে যুগুত কৰিলে, আৰু ৰাতিপুৱাৰে পৰা দুপৰীয়ালৈকে, হে বাল, আমাৰ উত্তৰ দিয়া, এই বুলি কৈ বালক নামেৰে প্ৰাৰ্থনা কৰিলে" তেওঁলোকৰ ৰীতিৰ দৰে, ধাৰেৰে তেজ নোবোৱালৈকে কটাৰীৰে আৰু শূলেৰে নিজকে ক্ষত-বিক্ষত কৰিলে। কিন্তু কোনো বাণী নহ'ল, কোনো উত্তৰ নাহিল। তাতে সকলোৱে পৰাজয় স্বীকাৰ কৰিলে।

তাতে এলিয়াই শিলবোৰেৰে যিহোৱাৰ নামেৰে এটা যজ্ঞ বেদী নিৰ্মাণ কৰিলে। তেওঁ বেদীৰ চাৰিওফালে এটা খাল খান্দিলে। তেওঁ ভতৰাটো ডোখৰ ডোখৰ কৰি কাটি খৰিৰ ওপৰত দি ক'লে, 'চাৰি কলহ পানী ভৰাই এই হোম বলিৰ ওপৰত আৰু খৰিবোৰৰ ওপৰত ঢালি দিয়া। পাছে তেওঁ ক'লে, দ্বিতীয় বাৰো কৰা, তাতে তেওঁবিলাকে দ্বিতীয়বাৰো তাক কৰিলে। আৰু তেওঁ ক'লে, তৃতীয়বাৰো কৰা। তাতে তেওঁবিলাকে তৃতীয়বাৰো তাক কৰিলে। যেতিয়া বেদীৰ চাৰিওফালে পানী বৈ গ'ল আৰু তেওঁ সেই খালো পানীৰে পূৰ কৰিলে।

পাছে সন্ধ্যাবেলা নৈবেদ্য দিয়া সময়ত এলিয়া ভাববাদীয়ে ওচৰলৈ আহি ক'লে **"হে আব্ৰাহামৰ, ইচ্হাকৰ আৰু ইস্ৰায়েলৰ ঈশ্বৰ আৰু মই তোমাৰ দাস আৰু তোমাৰ বাক্যৰ প্ৰভাৱত মই যে এই সকলো কাৰ্য কৰিছোঁ ইয়াক আজি সকলোৱে জানক"**(১ ৰাজাৱলি ১৮ঃ৩৬)।

তেতিয়া যিহোৱাৰ অগ্নি পৰি, সেই হোম বালি, খৰি, শিল আৰু মাটি গ্ৰাস কৰিলে আৰু খালত থকা পানীকো চেলেকি পেলালে। আটাই লোকবিলাকে তাকে দেখি ভূমিলৈ মূৰকৈ পৰি ক'লে, "যিহোৱায়েই ঈশ্বৰ। যিহোৱায়েই ঈশ্বৰ " এইদৰে এলিয়াই স্বৰ্গৰ পৰা অগ্নি নমাই আনি "যিহোৱায়েই যে ঈশ্বৰ" তাক সেই অন্ধ বিশ্বাসী মানুহবিলাকলৈ প্ৰমাণ কৰি দেখুৱালে।

আমাৰ দিনত, এনে ঈশ্বৰৰ দাস আৰু ভাববাদীবিলাকক পাবলৈ বহুত টান। আজিকালি যেতিয়া আচৰিত কৰ্ম হয় বা ভৱিষ্যবাণী পৰিপূৰ্ণ হয়, আমি দেখা পাও যে ঈশ্বৰৰ কিছুমান দাসে আহি কয়, তেওঁলোকৰ প্ৰাৰ্থনাৰ বাবেহে এনে ঘটিব পালে? এইটো সত্য নহয়নে যে ঈশ্বৰৰ সেই দাসজনে কেমেৰা দল আৰু আন যন্ত্ৰৰ মাধ্যম লগত লৈ এনে পৰিয়াললৈ পৰিদৰ্শন কৰিব আৰু সকলো দৃশ্য কেমেৰাত বন্দী কৰিব আৰু এইবোৰক ব্যৱসায় কৰে? এনে ব্যৱসায় কৰা

ভাববাদীবোৰক সহায় কৰা মানুহৰ সংখ্যাও দিনক দিনে বৃদ্ধি পাই আহিছে। কেৱল ঈশ্বৰহে আচৰিত কৰ্ম কৰিব পাৰে। যীচুৱে ক'লে, "...বিনামূল্যে তোমালোক পালা, বিনামূল্যে দান কৰিবা" (মথি ১০:৮)

## ইলীচা ভাববাদী

ঈশ্বৰৰ পৰা বাণী অহাৰ দৰে, যেতিয়া এলিয়াই ইলীচাক লগ পাইছিল, সেই সময়ত তেওঁ হাল বাইছিল, বাৰ হাল বদল তেওঁৰ আগত আছিল আৰু শেষৰ হালৰ লগত তেওঁ নিজে আছিল। তাতে এলিয়াই তেওঁৰ ওচৰলৈ আগবাঢ়ি গৈ, নিজৰ চাদৰ তেওঁৰ গাত পেলাই দিলে তাতে ইলীচা তেওঁৰ পাছে পাছে গ'ল (১ ৰাজাৱলি ১২:৯)। ঈশ্বৰৰ দ্বাৰা এলিয়াক স্বৰ্গলৈ উঠাই লৈ যোৱাৰ পাছত ইলীচাই যোৰাম, যেহূ আৰু যোৱাচ ৰজাৰ ৰাজত্বকালত মহান আচৰিত কৰ্ম কৰোঁতা ভাববাদী হ'ল।

এলিয়াৰ অধীনত ইলীচাৰ প্ৰশিক্ষণ বহুত কঠিন আছিল। যি কোনোৱে ইচ্ছাকৃত ভাৱে কঠোৰ পৰিশ্ৰম আৰু কঠিন প্ৰশিক্ষণত নিজকে শোধাই দিয়ে, তেওঁহে কেৱল ঈশ্বৰৰ প্ৰকৃত দাস হ'ব পাৰিব। যিজনে কঠোৰ পৰিশ্ৰম, উপযুক্ত প্ৰশিক্ষণ আৰু উপযুক্ত কৰ্তব্যত নিজকে শোধাই দিব নোৱাৰে, তেওঁ কেতিয়াও মহান হোৱা লক্ষ্যত উপনীত হ'ব নোৱাৰে। যি মানুহে কেৱল দেওবৰীয়া উপাসনাত উপস্থিত হৈ প্ৰভুৰ বাবে ডাঙৰ বলিদান কৰিছে বুলি ভাবে, তেওঁ কেতিয়াও ঈশ্বৰৰ দাস হ'ব নোৱাৰে।

### ১। ইলীচাই তেওঁক পৰিচৰ্য্যাত আহ্বান কৰা লোকজনৰ দৰে পৰিণত হ'লঃ

যেতিয়া এলিয়া আৰু ইলীচাই গিলগলত পৰিচৰ্য্যা কৰি আছিল, এলিয়াই ইলীচাক ক'লে, "মই বিনয় কৰোঁ, তুমি ইয়াতে থাকা, কিয়নো যিহোৱাই মোক বৈৎএললৈ পঠাইছে।" কিন্তু ইলীচাই এলিয়াৰ লগ নেৰিবৰ মন কৰি ক'লে, "যিহোৱাৰ জীৱনৰ শপত আৰু আপোনাৰ জীয়া প্ৰাণৰ শপত, মই আপোনাক নেৰোঁ"। পাছে তেওঁলোক বৈৎএললৈ নামি গ'ল। বৈৎএলৰ পৰা তেওঁলোক যিৰীহোলৈ গ'ল। যিৰীহোৰ পৰা তেওঁলোক যৰ্দনলৈ গ'ল। এই গোটেইবিলাকৰ পৰা এলিয়াই ইলীচাক এৰি যোৱাৰ চেষ্টা কৰি আছিল। কিন্তু ইলীচাই তেওঁৰ চলাওঁতাক খন্তেক সময়ৰ বাবেও এৰিব খোজা নাছিল।

আনকি যৰ্দন নদী পাৰ হৈ যাওঁতে এলিয়াই ইলীচাক এৰি যাব বিচাৰিছিল। কিন্তু ইলীচাই এলিয়াৰ লগ এৰিবৰ মান্তিনহ'ল। এইদৰে তেওঁৰ চলাওঁতাক নেৰিবলৈ মন দৃঢ় কৰিলে আৰু তেওঁৰ সৈতে যৰ্দন নদী পাৰ কৰিলে। নদী পাৰ কৰাৰ মুহূৰ্তত এলিয়াই গাৰ পৰা চাদৰ নুৰিয়াই লৈ পানীত কোবালে, তাতে পানী ইফালে-সিফালে বেলেগ হৈ গ'লত, তেওঁলোক দুয়োজনে শুকান মাটিয়েদি পাৰ হৈ গ'ল।

এতিয়া এলিয়াই ইলীচাক ক'লে, মই অলপ সময়ৰ পাছত এই পৃথিৱী ত্যাগ কৰিম "মোক তোমাৰ পৰা স্বৰ্গলৈ নিয়াৰ আগতে, মই তোমাৰ বাবে কি কৰিব লাগে, মোক কোৱা"। তাতে ইলীচাই ক'লে, "মিনতি কৰোঁ, আপোনাৰ আমাৰ দুভাগ মোত থাকক।" এলিয়াই তেওঁক ক'লে, তুমি দুঃসাধ্য বৰ খুজিলা। তথাপি তোমাৰ ওচৰৰ পৰা মোক নিয়াৰ সময়ত যদি তুমি মোক দেখা পোৱা, তেন্তে তোমালৈ সেইদৰে হ'ব, কিন্তু দেখা নাপালে সেইদৰে নহ'ব। ইলীচাই এলিয়াক চাই থাকোঁতেই অগ্নিময় এখন ৰথ আৰু অগ্নিময় ঘোঁৰা ওলাই আহিলত এলিয়া স্বৰ্গলৈ উঠিল। তেতিয়া ইলীচাই তেওঁৰ চলাওঁতাক তুলি নিয়াৰ সময়ত চিঞৰি ক্ৰন্দন কৰিলে। তেওঁ এলিয়াৰ গাৰ পৰা চাদৰ তুলি লৈ, উভতি আহি যৰ্দনৰ তীৰত থিয় হ'ল (২ ৰাজাৱলি ২:১২-১৩)।

### ২। ইলীচা কেতিয়াও নিৰুৎসাহ হোৱা নাছিলঃ

যদিও ইলীচাই জানিছিল যে বহুবাৰ তেওঁ চলাওতাৰ বাক্য আৰু কৰ্মই তেওঁক পৰীক্ষা কৰিছিল, তেওঁ কেতিয়াও নিৰুৎসাহ হোৱা নাছিল।

**কষ্টত থকা লোকবিলাকক ঈশ্বৰে সহায় কৰে। তেওঁলোক কেতিয়াও লজ্জিত নহ'ব।** আপুনি ভাবিব পাৰে যে আপোনাৰ জীৱনত আপুনি ভবা কাম কেতিয়াও সম্পূৰ্ণ হোৱা নাই, আপোনাৰ প্ৰাৰ্থনাৰ উত্তৰ হয়তো আপুনি পোৱা

৬ পৃষ্ঠাত চাওঁক


नहेम्याह बाइबल कॉलेज
रेसिडेन्शल कॉलेज, चेन्नई।

माध्यमः हिन्दी

सदस्यता के लिए पंजीकृत उम्मीदवार - ATA

सुविख्यात अंतर्राष्ट्रीय मसीही अगुवे तथा पिछले 53 वर्षों से सेवारत वरिष्ठ पासवान

सर्टिफिकेट इन थियोलॉजी – 1 साल
डिप्लोमा ऑफ थियोलॉजी – 2 साल

योग्यता 10 वी या अधिक
जल्दी करें!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
★ ऑनलाइन कक्षाएं उपलब्ध हैं ★

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২২ চনৰ ১৯ জুলাইৰ পৰা ২০২২ চনৰ ১৮ আগষ্ট লৈ**

## প্ৰশংসাৰ বিষয়সমূহ

জুলাই ১৯ ঃ ঈশ্বৰে অনুগ্ৰহ কৰি শুভবাৰ্তা নোপোৱা ঠাইত শুভবাৰ্তাক বিলাবলৈ আমাক সহায় কৰিলে।

জুলাই ২০ ঃ আমাক প্ৰাৰ্থনা আৰু সাহাৰ্য্যৰে সহায় আগবঢ়োৱা সকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁহক।

জুলাই ২১ ঃ আমাৰ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ।

জুলাই ২২ ঃ আমাৰ পালক এচ. এম ছেলভা ৰাজ আৰু পৰিয়ালক প্ৰচুৰ আশীৰ্বাদ কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁহক।

জুলাই ২৩ ঃ আমাৰ সকলো সহকাৰী সম্পাদক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

জুলাই ২৪ ঃ আমাৰ মুখ্য আৰু শাখা মণ্ডলীবিলাকত অধিক বিশ্বাসীৰে ঈশ্বৰে আশীৰ্বাদ কৰিছে।

জুলাই ২৫ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহক অংশীদাৰ, বিশ্বাসী অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান অজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁবিলাকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে আমি প্ৰাৰ্থনা কৰোঁহক।

জুলাই ২৬ ঃ আমাৰ কৰ্মীসকলৰ পৰিয়ালক ঈশ্বৰে আশীৰ্বাদ বৰষাই দিয়াৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

জুলাই ২৭ ঃ আমাৰ দেশসমূহক ৰক্ষা কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁহক।

জুলাই ২৮ ঃ ২০২২ ৰ ৩ জুনত আমাৰ নহিমিয়া বাইবেল কলেজৰ উপাধিকৰণ সভাত ঈশ্বৰে আশীৰ্বাদ কৰাৰ বাবে প্ৰশংসা কৰো।

জুলাই ২৯ ঃ আমাৰ মণ্ডলীত নতুন বিশ্বাসীসকলক অভিষেকৰ সৈতে আশীৰ্বাদ কৰাৰ বাবে তেওঁৰ প্ৰাৰ্থনা কৰোঁহক।

জুলাই ৩০ ঃ নহিমিয়া বাইবেল কলেজৰ পাঠ্যক্ৰম সমূহৰ বাসগৃহ আৰু সন্ধ্যা বেলাৰ নতুন ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্তি কৰাত ঈশ্বৰে অনুগ্ৰহেৰে সহায় কৰিলে।

জুলাই ৩১ ঃ বাসগৃহ বাইবেল কলেজৰ আমাৰ জৰুৰী আৱশ্যকীয় বস্তুসমূহ যেনে-পানী ঠাণ্ডা ৰখা মেচিন, ৰেফ্ৰিজাৰেটৰ, বিচনা, লেপ-তুলি, বাচন-বৰ্তন ইত্যাদি কিনাত সহায় কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

আগষ্ট ০১ ঃ ৰাজ্যিক সহ-পৰিচালকসকল আৰু তেওঁলোকৰ সহভাগিতাৰ বাবে প্ৰভুক প্ৰশংসা কৰোঁহক।

আগষ্ট ০২ ঃ মিশ্বন কাৰ্য্যৰ বাবে মহৎ উৎসৰ্গাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁহক।

আগষ্ট ০৩ ঃ আমাৰ জ্যেষ্ঠ পালক এচ.চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক ঈশ্বৰে সকলো দুষ্ট আত্মাৰ শক্তিৰ পৰা ৰক্ষা কৰি আহিছে।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

আগষ্ট ০৪ ঃ ২০২২ ৰ ২৫ মে'ত আমাৰ সহকাৰী ইংৰাজী সম্পাদক ভাই মেনুৱেল এম. পৌলৰাজ স্বৰ্গীয় হ'ল। গতিকে তেওঁৰ শোকসন্তপ্ত বন্ধুসকল, পৰিয়ালবৰ্গ আৰু সম্বন্ধীয়সকলৰ বাবে দয়া কৰি প্ৰাৰ্থনা কৰক।

আগষ্ট ০৫ ঃ শুভবাৰ্তা নোপোৱা ঠাইত শুভবাৰ্তা বিলাবলৈ ঈশ্বৰে আমাক সমৰ্থ কৰিবৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ০৬ ঃ সকলো ধৰ্মীয় লোকসকলৰ মাজত একতা থাকিবৰ বাবে সমৰ্পিত হৈ প্ৰাৰ্থনা কৰক।

আগষ্ট ০৭ ঃ সকলো দেশে ঈশ্বৰলৈ অখণ্ডতা বজাই ৰাখিবলৈ প্ৰাৰ্থনা কৰক।

আগষ্ট ০৮ ঃ জগতত ঈশ্বৰৰ ৰাজ্য নিৰ্মাণ কৰিবলৈ ঈশ্বৰে আমাক আৰু দৰ্শন দিবলৈ প্ৰাৰ্থনা কৰক।

আগষ্ট ০৯ ঃ আমাৰ দেশৰ সকলো দিশত আৰু আঁচনিবিলাকৰ একতাৰ উন্নতি হ'বলৈ প্ৰাৰ্থনা কৰক।

আগষ্ট ১০ ঃ আজি আমি আমাৰ পৰিচৰ্য্যাৰ ৫৪ তম বৰ্ষত প্ৰৱেশ কৰিলো। অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক।

আগষ্ট ১১ ঃ ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধৰ বাবে প্ৰাৰ্থনা কৰক আৰু গোটেই পৃথিৱীত শান্তিৰ প্ৰয়োজন আছে।

আগষ্ট ১২ ঃ গোটেই পৃথিৱীত শান্তি স্থাপন হ'বলৈ প্ৰাৰ্থনা কৰক।

আগষ্ট ১৩ ঃ আমাৰ জ্যেষ্ঠ পালকে লিখা আত্মজীৱনীৰ কৃতকাৰ্য্যতাৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ১৪ঃ মহিলা আৰু শিশুসকলৰ বিৰুদ্ধে চলি থকা অত্যাচাৰবোৰ বন্ধ হ'বলৈ প্ৰাৰ্থনা কৰক।

আগষ্ট ১৫ ঃ আমাৰ সহ পৰিচালক আৰু পালকসকললৈ নতুন শক্তি দিবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

আগষ্ট ১৬ ঃ সকলো খ্ৰীষ্টিয়ান অনুষ্ঠানবিলাকৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ১৭ঃ আমাৰ মিশ্বন ফিল্ডৰ কৰ্মীসকলৰ বাবে প্ৰাৰ্থনা কৰোঁহক।

আগষ্ট ১৮ঃ আমাৰ জ্যেষ্ঠ পালক এম. চাম. ছেলভা ৰাজৰ আঁচনিবিলাকৰ ওপৰত আশীৰ্বাদ থাকিবলৈ প্ৰাৰ্থনা কৰক।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

নাই। বিনা কাৰণতে আপোনাৰ ধন আৰু সময় ব্যয় হৈ গ'ল, যদিও আপুনি ঈশ্বৰৰ পৰিচৰ্যা কৰি আছে, সকলো ব্যৰ্থ হৈ গৈ আছে। আনকি আপুনি প্ৰশ্নও কৰিব পাৰে, "ঈশ্বৰ আছে নে?"

আপুনি আজি নিৰুৎসাহত আছেনে? মনক দুৰ্বল নকৰিব, সাহিয়াল হওক। ঈশ্বৰে আপোনাৰ জীৱনত এক আচৰিত কৰ্ম কৰিব ইলীচাৰ দৰে আপুনিও পৰিৱৰ্তন হওক। যদি তেনে কৰে, সময় নিশ্চয় সলনি হ'ব পৰিস্থিতি সলনি হ'ব। আমাৰ ঈশ্বৰ সলনি নহয়।

যদিও এলিয়াক স্বৰ্গলৈ নিয়াৰ সময়ত ইলীচাই "হে মোৰ পিতৃ, হে মোৰ পিতৃ" বুলি ক্ৰন্দন কৰিছিল, তেওঁ আশা এৰি দিয়া নাছিল। তেওঁ তেওঁত থকা অভিষেক আৰু আহ্বানক অৱজ্ঞা কৰা নাছিল। তেওঁ কেৱল স্বৰ্গলৈ চাই ক্ৰন্দন কৰিছিল।

প্ৰিয় পঢ়ুৱৈ, ইলীচাই এলিয়াৰ গাৰ পৰা পৰি যোৱা চাদৰ তুলি লৈ নদীত কোবোৱাত নদী দুভাগ হ'ল আৰু তেওঁ পাৰ কৰি গ'ল। আপুনি আপোনাৰ শিক্ষা আৰু নিম্ন অৱস্থাৰ বিষয়ে চিন্তা নকৰিব। বাইবেলে কয়, ইলীচাই বহুত আচৰিত কৰ্ম কৰিলে।

## ৩। ঈশ্বৰে প্ৰত্যেক সৰু প্ৰাৰ্থনাৰ উত্তৰ দিয়েঃ

যেতিয়া আমি আমাৰ প্ৰয়োজন বস্তুৰ বাবে প্ৰাৰ্থনা কৰো, ঈশ্বৰৰ বাবে এইটো প্ৰয়োজন নহয় যে আমি বিচৰাৰ দৰে তেওঁ আমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিব লাগে। উদাহৰণস্বৰূপে, আপুনি বেঙ্কৰ পৰা ঋণ পাবৰ বাবে লঘোণ প্ৰাৰ্থনা কৰি আছে। ঈশ্বৰে সেই ঋণ পোৱাত সহায় নকৰিবও পাৰে। কিন্তু তেওঁ আচৰিত ভাৱে আপোনাৰ আৰ্থিক সহায় আন উপায়েৰে আপোনালৈ যোগাব।

চেন্নাইত ৰবিন্দাৰ বোৰাজ নামৰ মোৰ ভাল বন্ধু এজন থাকে, তেওঁ এজন চিকিৎসক হয়। তেওঁ এজন ঐশ্বৰিক মানুহ হয় আৰু ধনলৈ তেওঁৰ কোনো লোভ নাই। তেওঁ এজন ঈশ্বৰৰ দাসো হয়। এদিন এজন চিকিৎসকে মোৰ এজন বন্ধুক পৰীক্ষা কৰি তেওঁৰ পাইলচ্ আছে বুলি ক'লে আৰু ইয়াৰ অস্ত্ৰোপচাৰ কৰিব লাগে বুলি ক'লে। সেই বন্ধুজনে মোৰ ওচৰত প্ৰাৰ্থনা সহায় বিচাৰি আহিছিল। মই তেওঁৰ বাবে প্ৰাৰ্থনা কৰিলো আৰু তেওঁ এজন দৰিদ্ৰ লোক আছিল। মই তেওঁক মোৰ বন্ধু ডাক্তৰ ৰবিন্দ্ৰাৰ ওচৰলৈ নিলো।

তেওঁক পৰীক্ষা কৰাৰ আগতে চিকিৎসকজনে চুটিকৈ প্ৰাৰ্থনা কৰি ল'লে। তেতিয়া তেওঁ সেই ৰোগীজনক ক'লে, "অস্ত্ৰোপচাৰ কৰাৰ আৱশ্যক নাই, পানী, সেউজীয়া পাচলি আৰু কল যথেষ্ট পৰিমাণে খাবলৈ ক'লে। এসপ্তাহৰ পাছত আহিব, মই আশা ৰাখিছো, আপুনি নিশ্চয় আৰোগ্য লাভ কৰিব।" আমি দুয়ো ঘূৰি অহা সময়ত সেই ৰোগীজন দুখত থকা দেখি মই তেওঁক সুধিলো, "তুমি কিয় চিন্তিত হৈ আছা?" তেওঁ ক'লে, "মই চিন্তিত, কিয়নো মোৰ অস্ত্ৰোপচাৰ নহ'ল।" তেওঁ কম খৰছত অস্ত্ৰোপচাৰ হোৱাৰ আশা কৰিছিল যি কি নহওক তেওঁ চিকিৎসকৰ পৰামৰ্শ মানি চলিলে।

কিন্তু কি ঘটিলে জানেনে, সেই বন্ধু অস্ত্ৰোপচাৰ নোহোৱাকৈয়ে সম্পূৰ্ণভাৱে সুস্থ হৈ পৰিল তেওঁৰ সমস্যাটো আছিল যে তেওঁ অস্ত্ৰোপচাৰৰ বাবে যুগুত হৈছিল, কিন্তু এতিয়া তেওঁৰ ইয়াৰ প্ৰয়োজন নহ'ল।

কেতিয়াবা আমি প্ৰাৰ্থনা কৰো, কিন্তু ইয়াৰ উত্তৰ আমাৰ মনে বিচৰা ধৰণে আৰু পাবলৈ আশা কৰো কিন্তু ঈশ্বৰে তেওঁৰ নিজ জ্ঞান আৰু শক্তিৰ মতে কাৰ্য কৰে। কিন্তু আমি সেই আচৰিত কৰ্ম গ্ৰহণ কৰিব লাগে।

ইলীচাই ভাবিব পাৰিলেহেঁতেন যে এলিয়াৰ দুভাগ শক্তি পোৱাৰ বিপৰীতে তেওঁ কেৱল তেওঁৰ চাদৰহে পালে। কিন্তু ইলীচা, আত্মিক মানুহ হোৱা হেতুকে সম্পূৰ্ণ হৃদয়েৰে চাদৰখন গ্ৰহণ কৰিলে।

ঈশ্বৰৰ প্ৰিয় সন্তান, ঈশ্বৰৰ পৰা পোৱা আপোনাৰ প্ৰাৰ্থনাৰ উত্তৰৰ প্ৰতি আপোনাৰ কেনে মনোভাৱ হয়?

## গেহজী

অৰামীয়া ৰজাৰ প্ৰধান সেনাপতিৰ নাম নামান আছিল। কিন্তু তেওঁৰ কুষ্ঠৰোগ আছিল (২ ৰাজাৱলি ৫ঃ১) ইস্ৰায়েলৰ এজনী সৰু ছোৱালীক তেওঁৰ ঘৰত বনুৱা কৰি ৰাখিছিল। তাই নিজ অধিকাৰিণীক ক'লে, যদি নামানক ইলীচাক সাক্ষাৎ কৰোৱা হয়, তেওঁ সুস্থ হ'ব।


**নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়**

চেপাক আৰু সন্তোষাপুৰম, চেন্নাই

ECHO OF HIS CALL (ECHO GROUP)

**মাধ্যম ঃ তামিল**

ATA — Regd. Candidate for Membership — NEHEMIAH BIBLE COLLEGE CHENNAI — ECHO OF HIS CALL ★ Estd.: 1969

**যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত!** ATA

**প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া**

**ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া**

**অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক**

**নামভৰ্তিৰ বাবে সোনকাল কৰক!**

**Contact : The Chairman, Nehemiah Bible College.**

10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.

Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858

E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

তেতিয়া নামান ইলীচাৰ ওচৰলৈ আহিল। যেতিয়া নামানে আহি ইলীচাৰ ঘৰৰ দুৱাৰ মুখত থিয় হ'ল, ইলীচাই তেওঁক যৰ্দন নদীত গৈ সাতবাৰ জোবোৰা মাৰিবলৈ খবৰ পঠালে। কিন্তু নামানে খং উঠি ক'লে, "মই ভাবিছিলো, তেওঁ অৱশ্যে ওলাই মোৰ ওচৰলৈ আহিব আৰু থিয় হৈ নিজ ঈশ্বৰৰ যিহোৱাৰ নামেৰে প্ৰাৰ্থনা কৰি, কুষ্ঠৰ ঠাইত হাত বুলাই কুষ্ঠৰোগীক সুস্থ কৰিব। যৰ্দন নদীতকৈ আৰু উত্তম নদী আমাৰ ভূমিত নাই নে? কিন্তু তেওঁৰ দাসবিলাকে ওচৰ চাপি নিবেদন কৰি ক'লে, হে পিতৃ, সেই ভাববাদীয়ে কোনো মহৎ কৰ্ম কৰিবলৈ আপোনাক কোৱা হ'লে আপুনি তাক নকৰিলেহেঁতেন নে? এই হেতুকে, "জোবোৰা মাৰি শুচি হোৱা তেওঁ আপোনাক আজ্ঞা দিয়াত আপুনি জানো তাক কৰিব নোৱাৰে?

তাকে শুনি নামানে গৈ নদীত সাতবাৰ ডুব মাৰিলে। ঈশ্বৰৰ দাসৰ বাক্য মতে, তেওঁৰ গাৰ মঙহ সৰু ল'ৰাৰ গাৰ মঙহৰ নিচিনা হ'ল আৰু তেওঁ শুচি হ'ল। তেতিয়া তেওঁ ঈশ্বৰৰ লোকৰ ওচৰলৈ ইভতি আহি, তেওঁৰ আগত থিয় হৈ ক'লে, "চাওক, মই এতিয়া জানিলো, যে গোটেই পৃথিৱীত আৰু ক'তো ঈশ্বৰ নাই, কেৱল ইস্ৰায়েলৰ মাজত আছে। এই হেতুকে বিনয় কৰো, আপোনাৰ এই দাসৰ পৰা এটি উপহাৰ গ্ৰহণ কৰক। কিন্তু ইলীচাই ক'লে, "**মই যি জনাৰ সাক্ষাতে থিয় হৈ আছোঁ, সেই যিহোৱাৰ জীৱনৰ শপত, মই একোকে গ্ৰহণ নকৰো।" কিন্তু তাক গ্ৰহণ কৰিবলৈ নামানে তেওঁক বহুত মিনতি কৰি ক'লতো তেওঁ মান্তি নহ'ল**" (২ ৰাজাৱলি ৫ঃ১১-১৬)।

ইলীচাৰ দাস গেহজীয়ে সকলো দেখি নিজকে ক'লে, "মোৰ প্ৰভুৱে এনেই এৰি দিলে, কিন্তু যিহোৱাৰ জীৱনৰ শপত, মই তেওঁৰ পাছে পাছে লৰি গৈ তেওঁৰ পৰা কিছু লওঁগৈ। এই বুলি গেহজীয়ে নামানৰ পাছে পাছে লৰি গ'ল। তাতে নামানে তাক তেওঁৰ পাছত লৰি অহা দেখি সুধিলে, "মঙ্গল নে? তাতে সি ক'লে, মঙ্গল।" "মোৰ প্ৰভুৱে এই কথা কৈ পঠালে, চাওক, এতিয়াই ইফ্ৰয়িম পৰ্বতীয়া অঞ্চলৰ পৰা শিষ্য ভাববাদীবিলাকৰ মাজৰ দুজন ডেকা মোৰ কাযলৈ আহিছে, মই বিনয় কৰো, তেওঁবিলাকলৈ এক কিক্কৰ ৰূপ আৰু জুযোৰা কাপোৰ দিয়ক।" তাতে নামানে ক'লে, দুই কিক্কৰ ৰূপ লোৱা, এই বুলি তেওঁ তাক বৰকৈ ধৰি, দুযোৰ কাপোৰ সৈতে দুটা থৈলাত দুই কিক্কৰ ৰূপ বান্ধি নিজৰ দুটা বন্দীৰ কান্ধত দিলত সিহঁতে তাৰ আগে আগে বৈ আনিলে। তাতে গেহজীয়ে সিহঁতৰ হাতৰ পৰা সেইবোৰ লৈ ঘৰৰ ভিতৰত থ'লে আৰু তেওঁ সিহঁতক বিদায় দিলে।

এতিয়া নামানে ভিতৰলৈ গৈ প্ৰভুৰ আগত থিয় হ'ল। ইলীচাই তেওঁক সুধিলে, "গেহজী তুমি ক'ত গৈছিলা?" তাতে তেওঁ ক'লে, "আপোনাৰ দাস ক'লৈকো যোৱা নাই।" ইলীচাই তেওঁৰ স্বৰ্গীয় জ্ঞানেৰে সকলো জানিছিল। তেওঁ গভীৰভাৱে মনত দুখ পাই গেহজীক ক'লে, "**যেতিয়া সেই মানুহে তোমাৰ লগত সাক্ষাৎ কৰিবলৈ নিজ ৰথৰ পৰা নামিল, তেতিয়া তালৈ জানো মোৰ মন যোৱা নাই? ধন ল'বৰ আৰু বস্ত্ৰ, জিতগছৰ বাৰী, দ্ৰাক্ষাবাৰী, মেৰ, গৰু আৰু বন্দী বেটি ল'বৰ জানো সময় এই? এই হেতুকে নামানৰ কুষ্ঠৰোগ তোমাৰ আৰু তোমাৰ বংশত সদায় লাগি থাকিব। তাতে গেহজী হিমৰ নিচিনা বগা কুষ্ঠৰোগী হৈ তেওঁৰ আগৰ পৰা ওলাই আহিল** (২ ৰাজাৱলি ৫ঃ২০-২৭)। ঈশ্বৰৰ লোকবিলাকৰ তালিকাৰ পৰা গেহজীৰ নাম বাদ পৰিল। তেওঁৰ আটাই বংশৰ ওপৰতো এই অভিশাপ আহিল।

আপুনি কোনটো চৰিত্ৰক গ্ৰহণ কৰিব? **যদি আপুনি মোক সুধিব, মই ক'ম যে, মই ইলীচাৰ নিচিনা হ'ব বিচাৰো। মোৰ মূৰৰ ওপৰত ইলীচাৰ অভিষেক পাবলৈ মই বহুত কৰিছোঁ, যাতে ময়ো দুগুণ আশীৰ্বাদপ্ৰাপ্ত হৈ এই পৃথিৱীত জয়যুক্ত জীৱনলৈ চলিব পাৰিম।**

অনুগ্ৰহ কৰি অলপ সময় ভাবি চাওক আপুনি ইলীচাৰ দৰে আহ্বান পাইছেনে? যদিও

*....Contd. to page 9*


## Echo of His Call Postal Courses

### 1. BIBLECOR

We offer Postal Course on Basic Truths of The Bible to new Christians and non-Christians in English – 57 pages, Hindi – 76 pages & Tamil – 96 pages. You will get a course book entitled **New Life – For You!** **After the completion of this course, you will get a certificate. There will be no compulsory fees. You will be blessed!**

### 2. THEOLOGICAL CORRESPONDENCE COURSE

Advanced Distance Education called **Theological Correspondence Course** is available in English – 537 pages and Tamil – 652 pages for Pastors, Evangelists, Christian Leaders and for lay people who have passion to do God's Ministry! A fee of Rs. 1000/- is charged. 7 Books with 149 Chapters are supplied. **Certificate in Ministry** will be awarded. **God will bless you!**

*For more details, write to us.*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**



## TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

### এডাল পেঞ্চিল আৰু এখন পাটীৰ পুৰণি কাহিনী

"ল'ৰাক তাৰ চলিবলগীয়া পথ অনুসাৰে শিক্ষা দিয়া, তাতে সি বুঢ়া হ'লেও তাক নেৰিব" (হিতোপদেশ ২২ঃ৬)

এখন চৰকাৰী গ্ৰাম্য স্কুলত পঞ্চম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত মোক এখন হাইস্কুলত নামভৰ্তি কৰোৱা হৈছিল য'ত মোক প্ৰথমবাৰ ইংৰাজীৰ বৰ্ণমালা শিকোৱা হৈছিল। স্কুলৰ প্ৰথম দিনা আমাৰ শ্ৰেণী শিক্ষকজনে আমাৰ সকলো ছাত্ৰ-ছাত্ৰীবিলাকক পাছদিনা এডাল পেঞ্চিল আৰু এখন বহী লগত লৈ আনিবলৈ কৈছিল। সেইদিনা মই ঘৰলৈ ঘূৰি অহাৰ লগে লগে মোৰ পিতৃ বাহিৰত থকা হেতুকে এই প্ৰয়োজনীয় বস্তুৰ বাবে মাতৃক ক'লো। তেওঁ মোৰ বাবে বহী এখন কিনি দিবলৈ সমৰ্থ হ'ল কিন্তু এডাল পেঞ্চিল কিনি দিবলৈ সমৰ্থ নহ'ল। তেওঁ ইয়াৰ বাবে ধন বিচাৰি ওচৰ-চুবুৰীয়াৰ ওচৰলৈ যাব নিবিচাৰিলে। তেওঁৰ অসমৰ্থতাৰ বিষয়ে মোক ব্যাখ্যা কৰি ক'লে আৰু মোৰ ব্যৱহাৰৰ বাবে পেঞ্চিল এডাল পাবলৈ প্ৰভু যীচু খ্ৰীষ্টৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ কৈছিল।

তেওঁৰ কথাত আজ্ঞাধীন হৈ, মই নিশা আঠু লৈ ঈশ্বৰলৈ পেঞ্চিল এডাল বিচাৰি প্ৰাৰ্থনা কৰিলো আৰু শুবলৈ গ'লো। পাছদিনা ৰাতিপুৱালৈকে ঈশ্বৰে মোক এডালো পেঞ্চিল যোগাই নিদিলে। গতিকে পেঞ্চিলৰ অবিহনেই মই স্কুললৈ গ'লো। যেতিয়া আন আন ছাত্ৰ-ছাত্ৰীসকলে পেঞ্চিল লগত লৈ আনিছিল তাত কেৱল মইহে শিক্ষকৰ আদেশ পূৰণ কৰিব নোৱাৰিলো। গতিকে শিক্ষকজন মোৰ এই কাৰ্য্যৰ বাবে সুখী হোৱা নাছিল। তেওঁ মোক ক'লে যে কালিৰ পৰা পেঞ্চিলৰ অবিহনে স্কুললৈ নাহিবা।

মই ঘৰলৈ ঘূৰি আহি শিক্ষকে দুখ পোৱাৰ কথা মাক ক'লো। মায়ে মোলৈ চাই এটি মিচিকিয়া হাঁহি মাৰি দ্বিতীয় দিনাও প্ৰভু যীচু খ্ৰীষ্টক প্ৰাৰ্থনা কৰিবলৈ ক'লে আৰু পেঞ্চিল আহি আছে বুলি নিশ্চিত হৈ ক'লে, সেইদিনাও মই একেদৰে কৰিলো কিন্তু একো নঘটিল। গতিকে সেইদিনাও মই খালী হাতেৰে স্কুল যাবলগীয়া হ'ল। যেতিয়া মোক শিক্ষকে সুধিলে, মই ক'লো মায়ে মোক আজ্ঞা দিয়াৰ দৰে প্ৰাৰ্থনা কৰিলো আৰু পেঞ্চিল আহি আছে বুলি মোক ক'লে। শিক্ষক গৰাকী বহুত উত্তেজিত হ'ল আৰু মোৰ কথা আৰু মাতৃৰ ব্যৱহাৰত খং উঠিছিল। শিক্ষয়িত্ৰীগৰাকীয়ে তাৰ পাছদিনা পেঞ্চিলৰ অবহনে স্কুললৈ নাহিবলৈ ক'লে।

মই বহুত দুখিতঃ হ'লো আৰু মই এই খবৰটো মাক জনালো। প্ৰভু যীচু খ্ৰীষ্টক পেঞ্চিলৰ বাবে ধন্যবাদ জনাবলৈ মায়ে মোক ক'লে, মই মাজনিশালৈকে প্ৰভুক ধন্যবাদেই দি আছিলো। মই সেই নিশা শুব পৰা নাছিলো। কিয়নো তাৰ পাছদিনাখন মই পেঞ্চিলৰ অবিহনে স্কুললৈ গ'লে কিমান যে কঠিন সময় আৰু শাস্তিৰ সন্মুখীন হ'ম তাকেই ভাবি আছিলো।

মই অকস্মাতে আচৰিত হ'লো, কোনোবাই মাজনিশা দুৱাৰত টুকুৰিওৱা শুনা পালো। মায়ে মোক ক'লে যে ঘৰত কোনো মতা মানুহ নথকা বুলি জানি কিছুমান চোৰ আহি হয়তো দুৱাৰত টুকুৰিয়াইছে আৰু তেওঁ মোক বিচনাৰ তলত সোমাই মনে মনে থাকিবলৈ ক'লে।

তেতিয়া কোনোবাই খিৰিকীৰ ফালৰ পৰা মোৰ মাৰ নাম লৈ মতা আমি শুনিলো, তেওঁ এজন মোৰ খুড়া শ্ৰীমান ছেলভা মানি আছিল, তেওঁ এজন পুলিচ বিষয়া আছিল আৰু আমাৰ ঘৰৰ পৰা প্ৰায় ৭০ কিঃমিঃ দূৰৈত থকা পালায়াম কট্টাই নাম নগৰত চাকৰি কৰি আছিল। আমি আনন্দেৰে দুৱাৰ খুলি দিলো। তেওঁ আন দিনাৰ দৰে লগত বিস্কুট, মিঠাই, কাপোৰ ইত্যাদি আনি মোক উপহাৰ দিলে। যেতিয়া মই তাৰেই এটা বিশেষ উপহাৰ খুলি চালো তেতিয়া মই ভিতৰত এটা সৰু বাকচ দেখিলো। যেতিয়া মই হেঁপাহেৰে মেলি চালো মই বাকচটোত ভৰ্তি দামী পেঞ্চিল দেখি পালো। **সেইবোৰ নটৰাজ পেঞ্চিল আছিল, তেতিয়াৰ দিনত সেই নটৰাজ পেঞ্চিল বৰ দামী আছিল। বাকচটোৰ ভিতৰত চচ্ছু ডাল পেঞ্চিল আছিল।**

সেই নিশা মই আনন্দত জাপ মাৰি মাৰি ক'লো যে প্ৰভু যীচু খ্ৰীষ্টই কেৱল মোৰ প্ৰাৰ্থনা শুনিলে এনে নহয়, কিন্তু মোৰ প্ৰাৰ্থনাৰ উত্তৰো দিলে। উপচি পৰা আনন্দৰ বাবে সেই গোটেই নিশা মই শুব পৰা নাছিলো।

দ্বিতীয় দিনা ৰাতিপুৱা ২৪ ডাল পেঞ্চিলৰ বাকচটো লৈ মই স্কুললৈ গ'লো যেতিয়া আন ছাত্ৰ-ছাত্ৰীবিলাকে লগত কেৱল এডালহে পেঞ্চিল আনিছিল। শিক্ষয়িত্ৰী গৰাকীয়ে খঙেৰে আহি মোক সুধিলে আজি পেঞ্চিল আনিলানে নাই? মই তেওঁক উত্তৰ দি ক'লো যে মই যি পেঞ্চিলৰ বিষয়ে আহি আছেবুলি কৈছিলো আজি আচৰিতভাৱে মোৰ হাতত আহি পালে। তেওঁৰ মোৰ পিঠিত চপৰিয়াই আনন্দেৰে আন-আন ছাত্ৰ-ছাত্ৰীবিলাকক ক'লে যে এজন জীৱিত ঈশ্বৰ আছে যাৰ নাম যীচুখ্ৰীষ্ট হয়। এই অভিজ্ঞতা এতিয়াও মোৰ মনত এতিয়াও সজীৱ হৈ আছে। সেই একেজনা ঈশ্বৰ যিজনে মোলৈ পেঞ্চিল যোগাইছিল তেওঁ এতিয়াও জীৱিত আছে। তেওঁ কালি, আজি আৰু সদকাললৈকে একেই হৈ আছে (ইব্ৰী ১৩ঃ৮)। গতিকে মই আজিও মোৰ কোঠালীত এখন সৰু পাটী ৰাখি থৈছো যাক মই 'পেঞ্চিল পাটী' বুলি কওঁ। **মই অত্যন্ত ব্যস্ততাৰ মাজতো আৰু একেজনা প্ৰভু যীচু খ্ৰীষ্টৰ ওচৰত প্ৰয়োজনীয় বিষয়বোৰক গটাই দিয়াৰ পাছতো মই প্ৰতিদিনাই ৰাতিপুৱা অন্ততঃ তিনিবাৰকৈ প্ৰাৰ্থনা**

**কৰিবলৈ পেঞ্চিল পাটীলৈ যাওঁ। এতিয়ালৈকে মই এই পেঞ্চিল পাটীৰ ওপৰত অনেক মিনি বাছ, বৃহৎ আকাৰৰ গৃহ ইত্যাদি পাইছো। গতিকে মই এটাই সমাধানলৈ আহি পালো যে যিহাতে বাইবেলখনক কঢ়িয়াই নিলে আৰু যিবোৰ ভৰিয়ে প্ৰাৰ্থনা কৰিবলৈ আঠু কাঢ়ে কেতিয়াও ব্যৰ্থ নহয়।**

সেয়েহে মোৰ পৰিচৰ্য্যাৰ ৫৩ বছৰ অতিবাহিত হৈছে, এই কালছোৱাত কিন্তু মই কেতিয়াও পুঁজি গোটোৱা কাৰ্য্যসূচী লোৱা নাই বা কোনোবা ব্যক্তিগত মানুহৰ দুৱাৰ লৈ যোৱা নাই বা আমাৰ বিভিন্ন পৰিচৰ্য্যাৰ বাবে সামগ্ৰীও বিচৰা নাই। কেৱল মই এই পেঞ্চিল পাটীৰ পৰাই মোৰ সকলো প্ৰয়োজনীয় বস্তুৰ বাবে প্ৰাৰ্থনা কৰিছো আৰু ধন, সামগ্ৰী আৰু সকলো বস্তু ঈশ্বৰৰ পৰা পাইছো।

**মোক শক্তি দিয়া জনাত থাকি, মই সকলো বিষয়ত বলৱান হৈছো (ফিলিপীয়া ৪ঃ১৩)।**

❖❖❖❖❖

---

আপুনি ইলীচাৰ দৰে আহ্বান পাইছে, আপুনি এতিয়াও দৈনিক শৰীৰ আৰু আত্মাৰ সমস্যাত ভুগি আছেনে? আপুনিও গেহজীৰ দৰে ভাল কৰ্ম বা পৰিচৰ্যা কৰাৰ বাবে ধন সংগ্ৰহ কৰি আছেনে?

আজিকালি ঈশ্বৰৰ দাসসকলৰ মোনাত বাইবেল বা শুভবাৰ্তাৰ পত্ৰিকা থাকক বা নাথাকক। কিন্তু তেওঁলোকৰ সৰু সৰু কাৰ্যসূচীৰ বা আন আন বিষয়ত ধন সংগ্ৰহৰ হিচাপ নিশ্চয় থাকিব। কিছুমান ইমান টেঙৰ যে এই বিষয়বোৰ বিতংকৈ মুখস্থ কৰি লয়? আজিৰ ঈশ্বৰৰ দাসসকলে যিকোনো উপায়ে ধন সংগ্ৰহ কৰিবলৈ নতুন আঁচনি তৈয়াৰ কৰাত পাৰ্গত হৈছে। ধন সংগ্ৰহ কৰিবলৈ তেওঁলোকৰ কিছুমান "পবিত্ৰ কাৰণসমূহ" থাকে।

যেতিয়া ঈশ্বৰৰ সেৱকসকলৰ ধনৰ প্ৰয়োজন হয়, তেওঁলোকে জাননী জাৰি কৰি "মোক টকা দিয়, মই আপোনাৰ বাবে চকুলোৰে প্ৰাৰ্থনা কৰিম। তেতিয়া আপুনি ভাগ্যশালী হ'ব।" কিছুমানে ক'ব, "ঈশ্বৰ ৭৫০ জন মানুহক বিচাৰিছে, যিসকলে ১,০০.০০ টকাকৈ আমাৰ পৰিচৰ্যাৰ বাবে দিব পাৰিব। কিছুমানে কয়, "ঈশ্বৰে আমাক দৰ্শন দি ক'লে যে, যিবিলাকে অৱসৰ হোৱাৰ বিনিময়ত যি ধন পাব। তাৰে গোটেইখিনি আমাৰ পৰিচৰ্যাৰ বাবে দিব লাগে। আমি এই গোটেই ধন ৫ বছৰৰ পাছত ঘূৰাই দিম।"

যীচুৱে তেওঁৰ শিষ্যবিলাকক ঠগিবলৈ শিকোৱা নাছিল। পৰিৱৰ্তে তেওঁ সিবিলাকক ক'লে, **"তথাপি আমি যেন তেওঁবিলাকৰ বিঘিনি নজন্মাওঁ, এই নিমিত্তে তুমি সাগৰলৈ গৈ, বৰশী বোৱা, তাতে প্ৰথমে যি মাছ উঠে, তাক ধৰি, তাৰ মুখ মেলি এটকা ৰূপ পাবা, তাকে লৈ, মোৰ আৰু তোমাৰ নিমিত্তে তেওঁলোকক দিয়াগৈ"** (মথি ১৭ঃ২৭)। ইশ্বৰৰ কিছুমান দাসসকলে ভুল পথেদি ধন গ্ৰহণ কৰে আৰু তাৰ সোৱাদ উপভোগ কৰে। কিছুমানে প্ৰভুৰ পৰিচৰ্যাৰ বাবে তাৰে কিছু অংশ ব্যৱহাৰ কৰে। কিন্তু ঈশ্বৰে ভুল পথেৰে অহা ধন নিবিচাৰে। ঈশ্বৰৰ প্ৰিয় দাসসকল, আপোনাৰ সকলো কাৰ্যত সাৱধান হওক।

যেতিয়া আমি আমাৰ পৰিচৰ্যা সততাৰে কৰোঁ, আমি আমাৰ খৰছৰ বাবে চিন্তা কৰিব নালাগে। আমি ধন পাবলৈ কোনো কৌশল অৱলম্বন কৰিব নালাগে। আমি কোনো এনে আঁচনিও ল'ব নালাগে। যিজনা ঈশ্বৰে আমাক আহ্বান কৰিছে, তেওঁ বিশ্বাসী তেওঁ তেওঁৰ সন্তানক কেতিয়াও তল পৰিব নিদিব। তেওঁৰ পৰিচৰ্যাৰ কোনো এটা অংশ অগ্ৰাহ্য নকৰিব। কিন্তু তেওঁ নিশ্চয়ে আমাৰ পৰিচৰ্যাৰ উদ্দেশ্যক লক্ষ্য কৰিব।

**ঈশ্বৰৰ প্ৰিয় সন্তানজন, আপুনি আপোনাৰ মানসিক মনোভাবৰ মতে জীৱন চলাই আছেনে? এইটো সৰু বা ডাঙৰ হ'ব পাৰে, আপুনি ইলীচাৰ দৰে পবিত্ৰ জীৱন চলাই যাওক আৰু স্বৰ্গলৈ যাওক?**

বা

**আপুনি ইলীচাৰ দৰে, নিৰন্তৰে প্ৰাৰ্থনা কৰি বিশ্বাসত দৃঢ় হৈ আছেনে, যাতে আপোনাৰ আহ্বান শক্তিশালী হ'ব আৰু দুগুণ আশীৰ্বাদ লাভ কৰিব? আপুনি ইলীচাৰ দৰে হৈ আপোনাৰ শত্ৰুবোৰতকৈ জ্ঞানী, আপোনাৰ শিক্ষাতকৈ জ্ঞানী আৰু বৃদ্ধলোকবিলাকতকৈ টেঙৰ হ'ব পাৰিবনে?** (গীতমালা ১১৯ঃ৯৮-১০০)

বা

**আপুনি গেহজীৰ দৰে হৈ পৰিচৰ্যাৰ নামত ধন গোটাবলৈ য'তে ত'তে যাবনে? যিয়ে আপোনাৰ পৰিচৰ্যাক দুৰ্বল কৰিব আৰু আপোনাৰ বাবে আৰু বংশৰ বাবে অভিশাপ কঢ়িয়াই আনিব?**

**আপোনাৰ সিদ্ধান্ত আপোনাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। আপোনাৰ সিদ্ধান্তটো কি?**

❖❖❖❖❖

## আমাৰ পাব্লিকেশ্বনৰ এজন লক্ষণীয় লোক আৰু অসাধাৰণ বৰঙণিৰ বাবে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিয়ে প্ৰমাণ জনাইছো



আমি অতি দুখিত হৈ ঘোষণা কৰো যে

### ভাই মানুৱেল পৌলৰাজ

**তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ**

মাহেকীয়া আলোচনীক যোৱা প্ৰায় ৪৩ বছৰ ধৰি পৰিচৰ্যা আগবঢ়াই আছিল, তেওঁৰ ৭২ বছৰ বয়সত যোৱা ২৫ মে ২০২২ চনত বুধবাৰে পুৱা ৪.০০ বজাত শেষ নিশ্বাস ত্যাগ কৰি স্বৰ্গগামী হ'ল। তেওঁৰ পত্নী, এজন পুত্ৰ, এগৰাকী জীয়াৰী আৰু নাতি-নাতিনীয়েকক এৰি থৈ গৈছে। অনুগ্ৰহ কৰি তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰক।

**পালক এচ.চাম ছেলভা ৰাজ।**

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

**A good opportunity to get**
**Echo of His Call**
**monthly magazine at free of cost**

If you could send the addresses of your friends / relatives through post, letter, e.mail, WhatsApp or phone to us, we will dispatch **Echo of His Call** monthly magazine to them at free of cost.

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
E.mail : sam@echoofhiscall.org

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/21-23
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th JULY, 2022
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**